## ১.৬ বিজ্ঞাপনৰ প্ৰকাৰ

কাৰ্য সম্পাদন আৰু ভূমিকাৰ আধাৰত বিজ্ঞাপনক কেইটামান ভাগত ভগোৱা হৈছে। ইয়াৰে দুটামান গুৰুত্বপূৰ্ণ ভাগৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

**১) সামাজিক বিজ্ঞাপনঃ** অ-ব্যৱসায়িক অনুষ্ঠান-সংগঠন, যেনে- ন্যাস, সমাজ আৰু সংস্থা আদিয়ে সামাজিক বিজ্ঞাপন (Social Advertising) প্ৰস্তুত কৰে। এনে বিজ্ঞাপনৰ প্ৰধান উদ্দেশ্য হ'ল কোনো সামাজিক কাৰণৰ হকে কাম কৰিবলৈ জনসাধাৰণক উদ্বুদ্ধ কৰা। যুদ্ধত ক্ষতিগ্ৰস্ত লোকৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰা, প্ৰাকৃতিক দুৰ্যোগত সাহায্য প্ৰদানৰ অৰ্থে পুঁজি জমা কৰা, কোনো প্ৰদৰ্শনী আদিৰ বাবে টিকেট বিক্ৰীৰ কথা প্ৰচাৰ কৰা ইত্যাদি হ'ল সামাজিক বিজ্ঞাপনৰ উদাহৰণ।

**২) ৰাজনৈতিক বিজ্ঞাপনঃ** ৰাজনৈতিক দলবোৰে নিজ নিজ দলৰ আদৰ্শৰ প্ৰতি জনসাধাৰণক আকৃষ্ট কৰিবলৈ ৰাজনৈতিক বিজ্ঞাপন (Political Advertising) প্ৰস্তুত কৰে। এনে বিজ্ঞাপন বিশেষভাৱে নিৰ্বাচনৰ সময়ত প্ৰস্তুত কৰা হয়। ভোটাৰৰ সমৰ্থন আদায় কৰাই হ'ল এনে বিজ্ঞাপনৰ উদ্দেশ্য। এনে ধৰণৰ বিজ্ঞাপনে সংশ্লিষ্ট ৰাজনৈতিক দলৰ পৰিকল্পনা আৰু নীতিবোৰৰ পোষকতা কৰে। এনে বিজ্ঞাপনত নিজ দলৰ প্ৰাৰ্থীক ভোট দিবলৈ ভোটাৰক পতিয়ন নিওৱাৰ উদ্দেশ্যেৰে বিৰোধী দলৰ দুৰ্বলতাবোৰো উদঙাই দেখুওৱা হয়। কিছুমান ৰাজনৈতিক বিজ্ঞাপন পুনৰ্সংস্থাপন আৰু ৰাষ্ট্ৰৰ পুনৰ্গঠন বিষয়ক চৰকাৰী আঁচনিবোৰৰ কাৰ্যৰূপায়ণত সহায়ক হ'ব পৰাকৈ প্ৰস্তুত কৰা হয়।

**৩) পৃষ্ঠপোষকতাকাৰী বিজ্ঞাপনঃ** পৰিয়াল পৰিকল্পনা পদ্ধতি, দুৰ্লভ সম্পদৰ সংৰক্ষণ, সেউজ পৰিৱেশ বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তা আদি বিভিন্ন বিষয়ক লৈ প্ৰস্তুত কৰা পৃষ্ঠপোষকতাকাৰী বিজ্ঞাপন ( Advocacy Advertising) বোৰ আমি প্ৰায়েই পঢ়িবলৈ, শুনিবলৈ আৰু দেখিবলৈ পাওঁ। এনে বিজ্ঞাপনবোৰ সম্পাদকীয় নাইবা তথ্যজ্ঞাপক প্ৰচাৰ নহয়। এইবোৰ বিশেষভাৱে প্ৰস্তুত কৰা বিজ্ঞাপন। কোম্পানীবোৰে এনেধৰণৰ বিজ্ঞাপন বিলবোৰ্ড, ছপা আলোচনী আৰু বাতৰিকাকত, অনলাইন তথা টেলিভিছন আদি মাধ্যমৰ সহায়ত প্ৰচাৰ কৰে।

**৪) খুচুৰা বিজ্ঞাপনঃ** খুচুৰা ব্যৱসায়ীসকলে গ্ৰাহকক পোনে পোনে সামগ্ৰী বিক্ৰী কৰিব পৰাকৈ খুচুৰা বিজ্ঞাপন ( Retail Advertising) প্ৰস্তুত কৰে। খুচুৰা বিজ্ঞাপনৰ উদ্দেশ্য হ'ল- (i) জনা সামগ্ৰী বিক্ৰী কৰা, (ii) ব্যৱসায়ত প্ৰতিষ্ঠা লাভ কৰা আৰু (iii) ব্যক্তিগত ক্ৰেতা, টেলিফোনযোগে সামগ্ৰী কিনা গ্ৰাহক নাইবা মেইল যোগে সামগ্ৰী কিনা গ্ৰাহকক আকৰ্ষণ কৰা। দোকানৰ বেৰ-খিৰিকী আদিত, নিয়ম ফলক, পোষ্টাৰ, প্ৰচাৰ পুস্তিকা ইত্যাদিৰ সহায়ত এনে বিজ্ঞাপন প্ৰচাৰ কৰা হয়। খুচুৰা বিজ্ঞাপনৰ প্ৰকৃতি স্থানীয়।